**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 25-05-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ৬৬গৰাকী বিশিষ্ট ব্যক্তিক আজি পদ্ম বঁটা প্ৰদান।

২। বিধানসভাৰ অধিৱেশনৰ আজি তৃতীয় দিনা সদনত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত আজি পুনৰ শুনানি।

আৰু

৪। দুসপ্তাহৰ ভিতৰত চতুৰ্থ বাৰৰ বাবে পেট্ৰ'ল আৰু ডিজেলৰ মূল্য বৃদ্ধি।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত ৬৬গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম বঁটা প্ৰদান কৰিব। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। শ্ৰীমতী মুৰ্মুৱে আজিৰ অনুষ্ঠানত দুটা পদ্ম বিভূষণ, ছটা পদ্মভূষণ আৰু ৫৮টা পদ্মশ্ৰী বঁটা প্ৰদান কৰিব।

উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ বাবে ৫ জন লোকক পদ্ম বিভূষণ, ১৩ জনক পদ্ম ভূষণ আৰু ১১৩ জন লোকক পদ্মশ্ৰী বঁটাকে মুঠ ১৩১ জন লোকলৈ পদ্ম বঁটা ঘোষণা কৰা হৈছে। বাকী থকা ব্যক্তিসকলক এই অনুষ্ঠানৰ দ্বিতীয় পৰ্যায়ত পদ্ম বঁটাসমূহ প্ৰদান কৰা হ'ব। প্ৰতিবছৰে গণৰাজ্য দিৱসত পদ্ম বঁটাপ্ৰাপকসকলৰ নাম ঘোষণা কৰা হয়। কলা, সমাজ সেৱা, ৰাজহুৱা পৰিক্ৰমা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, অসামৰিক সেৱাকে ধৰি বিভিন্ন খণ্ডত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা লোকসকলৰ সন্মানাৰ্থে এই বঁটা প্ৰদান কৰা হয়।

অসমৰ পাঁচগৰাকী ব্যক্তিলৈ পদ্ম সন্মান আগবঢ়োৱা হৈছে। ইয়াৰে কলাৰ ক্ষেত্ৰত হৰিচৰণ শইকীয়া, পখিলা লেকথেপি আৰু নুৰুদ্দিন আহমেদলৈ, কৃষিক্ষেত্ৰত যোগেশ দেউৰীলৈ আৰু ৰাজহুৱা পৰিক্ৰমাত মৰণোত্তৰভাৱে কবিন্দ্ৰ পুৰকায়স্থলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

০০০০০০০

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি তৃতীয় দিনা সদনত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ মন্ত্ৰী অতুল বৰাই এই বিধেয়ক উত্থাপন কৰে। বিধানসভাত ৰাজ্যপালৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে। ৰাইজৰ দলৰ বিধায়ক অখিল গগৈকে ধৰি আন কেইবাগৰাকীও বিধায়কে ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত সংশোধনী প্ৰস্তাৱ উত্থাপন কৰে। বিধানসভাত আজি মন্ত্ৰী অজন্তা নেওগে মহিলাৰ বাবে এক তৃতীয়াংশ

আসন সংৰক্ষণৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে সংকল্প প্ৰস্তাৱ উত্থাপন কৰিব। ২৭ মে'ত বিধানসভাৰ অধিৱেশনৰ অন্ত পৰিব।

0000000

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত আজি পুনৰশুনানি গ্ৰহণ কৰিব। ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত হ'বলগীয়া শুনানিত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ বিৰোধিতাৰে যুক্তি প্ৰদৰ্শন কৰিব। উল্লেখযোগ্য যে যোৱা ২২ মে'ত অনুষ্ঠিত শুনানিত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। শুনানিকালত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অসম চৰকাৰে নিযুক্তি প্ৰদান কৰা বিশেষ লোক অধিবক্তা জিয়াউল কামাৰো উপস্থিত থাকিব।

0000000

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ– চি বি এছ ইয়ে দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ উত্তৰ বহীৰ স্কেন কৰা প্ৰতিলিপি লাভৰ দিন আৰু এদিনলৈ অৰ্থাৎ আজিলৈ বৃদ্ধি কৰিছে। পৰিষদে কৈছে যে, ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ বাবে যাতে পৰ্যাপ্ত সময় লাভ কৰে, তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উত্তৰ বহীৰ পুনৰীক্ষণৰ বাবে আবেদন গ্ৰহণৰ দিন শীঘ্ৰেই প্ৰকাশ কৰা হ'ব বুলিও পৰিষদে জানিবলৈ দিছে।

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আসোঁৱাহমুক্ত পুনৰ মূল্যায়ণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চি বি এছ ইক সহায় কৰিবলৈ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান মাদ্ৰাজ আৰু কানপুৰৰ অধ্যাপক তথা প্ৰযুক্তি বিশেষজ্ঞৰ এটা দলক নিয়োগ কৰাৰ নিৰ্দেশ দিছে। চি বি এছ ইৰ পৰীক্ষাৰ ফলাফল সম্পৰ্কীয় প'ৰ্টেলত শিক্ষাৰ্থী তথা অভিভাৱকসকলে উত্থাপন কৰা বিভিন্ন আপত্তি তথা শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছে। শিক্ষা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে যে, ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান আই আই টিৰ বিশেষজ্ঞৰ দলটোৱে সমস্ত প্ৰক্ৰিয়াৰ প্ৰায়োগিক বিকাশ কৰাৰ লগতে প'ৰ্টেলটোৰ স্থিৰতা তথা চাৰ্ভাৰৰ কাম-কাজ বিশেষভাৱে পৰীক্ষা কৰিব।

0000000

অহা ২৮ মে'ত হ'বলগীয়া স্নাতক মহলাৰ উমৈহতীয়া বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা CUET UG স্থগিত ৰখা হৈছে। পৰীক্ষাৰ দিন পিছুৱাই দিছে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা NTA ই ঈদ উজ জোহাৰ বন্ধৰ দিন সলনি হোৱাৰ পৰিপ্ৰেক্ষিতত এই কথা ঘোষণা কৰে। সংশোধিত পৰীক্ষাৰ দিন শীঘ্ৰেই ঘোষণা কৰা হ'ব বুলি সংস্থাটোৱে প্ৰকাশ কৰিছে। শেহতীয়া তথ্যৰ বাবে নিয়মিতভাৱে সংস্থাৰ ৱেবচাইট চাই থাকিবলৈ ছাত্ৰ ছাত্ৰী সকলক পৰামৰ্শ দিয়া হৈছে। যিকোনো তথ্যৰ বাবে ছাত্ৰ ছাত্ৰীসকলে NTAৰ হেল্পলাইন নম্বৰ 011- 40759000 অথবা cuet-uginta.ac.in ত যোগাযোগ কৰিব পাৰিব।

0000000

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩১ মে'ত আকাশবাণী যোগে প্ৰচাৰিত **মন কী বাত** অনুষ্ঠানত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে ট'লফ্ৰী নম্বৰ ১৮০০-১১-৭৮০০ ত ফোন কৰি তেওঁলোকৰ মনৰ ভাব প্ৰকাশ কৰাৰ লগতে পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নৰেন্দ্ৰ মোদী এপ অথবা মাইগভ মুকলি মঞ্চৰ জৰিয়তেও দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে ১৯২২ নম্বৰত মিছকল দি লাভ কৰা এছ এম এছ লিংকত ক্লিক কৰিও প্ৰধানমন্ত্ৰীলৈ প্ৰত্যক্ষভাৱে দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। মন কী বাতৰ এই খণ্ডৰ বাবে ২৯ মে'লৈকে মতামত আৰু দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০০০০

পশ্চিম এছিয়াৰ উদ্বেগজনক পৰিস্থিতিৰ মাজতে বাৰ্ষিক পাঁচদিনীয়া হজযাত্ৰা আজি আৰম্ভ হৈছে। ভাৰতকে ধৰি বিশ্বৰ বিভিন্ন দেশৰ ১৬ লাখৰো অধিক লোকে পৱিত্ৰ চহৰ মক্কাৰ পৰা চৌদি আৰবৰ মীনালৈ যাত্ৰা আৰম্ভ কৰিছে। হজযাত্ৰীসকলে আজি নিশা মীনাত কটাব আৰু কাইলৈ পুৱা হজৰ প্ৰাৰ্থনাৰ বাবে যাব। চলিত বৰ্ষৰ হজ যাত্ৰাত ভাৰতৰ পৰা প্ৰায় ১ লাখ ৭৫ হাজাৰৰো অধিক যাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০০

দুসপ্তাহৰ ভিতৰত চতুৰ্থ বাৰৰ বাবে পেট্ৰ'ল আৰু ডিজেলৰ মূল্য পুনৰ বৃদ্ধি পাইছে। এই অনুসৰি পেট্ৰ'লৰ মূল্য প্ৰতি লিটাৰত দুটকা ৬১ পইচা আৰু ডিজেলৰ মূল্য প্ৰতি লিটাৰত দুটকা ৭১ পইচা বৃদ্ধি পাইছে। এই সংশোধিত মূল্যৰ ফলত বৰ্তমান ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ১০২ টকা ১২ পইচা আৰু ডিজেলৰ মূল্য ৯৫ টকা ২০ পইচা হৈছে। গুৱাহাটীত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ১০৫ টকা ৭৪ পইচা আৰু ডিজেলৰ মূল্য ৯৭ টকা ২৩ পইচা হৈছে।

০০০০০০০

বিশ্বৰ সৰ্ববৃহৎ জনগণনা প্ৰক্ৰিয়া লোকপিয়ল-২০২৭ৰ অধীনত ৰাজ্যত অহা ২ আগষ্টত দুটা পৰ্যায়ত লোকপিয়ল আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। সমগ্ৰ প্ৰক্ৰিয়াটোৰ বাবে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। বিষয়াসকলক জুনৰ পৰা লোকপিয়লৰ প্ৰশিক্ষণ দিয়া হ'ব। উল্লেখযোগ্য যে দেশৰ অন্যান্য ঠাইসমূহত ইতিমধ্যে যোৱা এক এপ্ৰিলত লোকপিয়ল আৰম্ভ হৈছে।

দেশৰ যোড়শ আৰু স্বৰাজোত্তৰ ভাৰতৰ অষ্টম লোকপিয়লত  সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হৈছে। এই প্ৰক্ৰিয়াত এণ্ড্ৰইদ আৰু আই অ' এছৰ মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এইবাৰৰ লোকপিয়লত স্ব-

গণনাৰ বিকল্পৰো ব্যৱস্থা কৰা হৈছে। ঘৰৰ গণনাৰ সময়ত সকলো ভৱন আৰু পৰিকাঠামোৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু বাসগৃহৰ স্থিতি, সা-সুবিধা তথা সম্পদৰ তথ্য সংগ্ৰহ কৰা হ'ব। বাসগৃহসমূহৰ জিঅ' টেগিং কৰা হ'ব আৰু প্ৰতিটো ঘৰক অনন্য পৰিচয়সূচক নম্বৰ প্ৰদান কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখৰো অধিক গণনা কৰ্মী, পৰ্যবেক্ষক আৰু অন্য বিষয়া নিয়োগ কৰা হৈছে। জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব। লোকপিয়লৰ দ্বিতীয় পৰ্যায় অহা বছৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত বয়স, লিংগ, বৃত্তি, সাক্ষৰতা আৰু জাতিগত সবিশেষকে ধৰি ব্যক্তিগত তথ্য আহৰণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে লোকপিয়ল-২০২৭ৰ বাবে ১১ হাজাৰ ৭১৮ কোটি টকাৰো অধিক পৰিমাণৰ পুঁজিত অনুমোদন দিছে।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে কলকাতা নাইট ৰাইডাৰ্ছক ৪০ ৰানত পৰাস্ত কৰে। দেলহি কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২০৩ ৰান সংগ্ৰহ কৰে। দলৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৬০ ৰান কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে ১৮ অভাৰ ৪টা বলতে আটাইকেইটা উইকেট হেৰুৱাই ১৬৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। দেলহিৰ হৈ তিনিটা উইকেট দখল কৰা কুলদীপ যাদৱক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে কালি ৰাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক ৩০ ৰানত পৰাস্ত কৰি প্লে অফত প্ৰৱেশ কৰে।

0000000

সমাপ্ত